## “হে কৰুণাময়! ৰাম কৃষ্ণ প্ৰভু ৰঘুপতি” – পাঠ্যাংশৰ বিষয়বস্তুৰ আলোচনা

শ্ৰীমন্ত শংকৰদেৱৰ ‘শিশু লীলা’ এটা উল্লেখযোগ্য কবিতা। কবিতাটোৰ চতুৰ্থ অংশৰ “হে কৰুণাময়! ৰাম কৃষ্ণ প্ৰভূ ৰঘুপতি”ৰ পদফাঁকিত শিশু শ্ৰীকৃষ্ণৰ শৈশৱকালৰ চঞ্চলতা, মাতৃ যশোদাৰ প্ৰতি তেওঁৰ মৰম, আৰু যশোদাৰ মাতৃস্নেহ অতি মনোমোহাভাৱে প্ৰকাশ পাইছে। পাঠ্যাংশটোত কৃষ্ণক একে সময়তে সাধাৰণ মানৱীয় শিশু আৰু পৰম ঈশ্বৰ—এই দুয়োটা ৰূপতে উপস্থাপন কৰা হৈছে। শংকৰদেৱে সংলাপ, ঘটনা আৰু বৰ্ণনাৰ মাজেৰে কৃষ্ণৰ শিশুলীলা জীৱন্ত কৰি তুলিছে।

পাঠ্যাংশৰ আৰম্ভণিতে দেখা যায় যে এদিন নন্দৰ পত্নী যশোদাই নিজে দৈ মথিবলৈ বহিছে। দৈ মথি থাকোঁতে তেওঁৰ মনত পুত্ৰ কৃষ্ণৰ শৈশৱকালৰ বিভিন্ন লীলাৰ কথা সোঁৱৰণ হয়। কৃষ্ণৰ কথা মনত পৰি যশোদাই কৃষ্ণৰ গীত গাই আনন্দ লাভ কৰে। ইয়াৰ পৰা মাতৃৰ অন্তৰত পুত্ৰৰ প্ৰতি থকা গভীৰ স্নেহ আৰু মমতাৰ পৰিচয় পোৱা যায়। যশোদাৰ সৌন্দৰ্য আৰু গৃহস্থ জীৱনৰ দৃশ্যও কবিয়ে সুন্দৰভাৱে অংকন কৰিছে। দৈ মথোঁতে তেওঁৰ কাণৰ কুণ্ডল, হাতৰ কঙ্কণ আদি লৰি থাকে আৰু শ্ৰমৰ ফলত তেওঁৰ মুখমণ্ডল উজ্জ্বল হৈ উঠে। এই বৰ্ণনাই পাঠ্যাংশটোত এক জীৱন্ত ঘৰুৱা পৰিৱেশৰ সৃষ্টি কৰিছে।

কৃষ্ণৰ চঞ্চলতা আৰু যশোদাৰ মাতৃস্নেহৰ বৰ্ণনা দাঙি ধৰিবলৈ গৈ কবিয়ে উল্লেখ কৰিছে এনেদৰে- দৈ মথি থকা সময়তে বালক কৃষ্ণ মাতৃ যশোদাৰ ওচৰলৈ আহে। মাতৃৰ পৰা দুগ্ধ বিচাৰি কৃষ্ণই শিশুসুলভ আচৰণ কৰে। যশোদাই পুত্ৰক দুগ্ধ পান কৰায়। কিন্তু অলপ পাছতেই গাখীৰ উতলি পৰাৰ বাৱে যশোদাই কোলাৰ পৰা আচাৰি পেলাই থৈ যোৱাৰ বাৱে কৃষ্ণৰ মাকৰ ওপৰত খং উঠিল আৰু কৃষ্ণৰ দুষ্টামি স্বভাৱ প্ৰকাশ পায়। তেওঁ মাকৰ দৈ মথাৰ কামত বাধা দিয়ে আৰু দৈৰ পাত্ৰৰ সৈতে ধেমালি কৰিবলৈ ধৰে আৰু দৈৰ হাণ্ডীবোৰৰ পৰা দৈ উলিয়াই নিজেও খাইছে আৰু জীৱ-জন্তুটোবোৰকো

খুৱাইছে। আনকি খঙতে দৈৰ হাণ্ডীবোৰ ভাঙিছে আৰু দুয়োখন হাততে দৈৰ পাত্ৰ লৈ উৰুলৰ ওপৰত বহি আৰামত খাইছে।

পাঠ্যাংশৰ এই অংশত কৃষ্ণৰ বাল্য-চঞ্চলতা অতি সুন্দৰভাৱে প্ৰকাশ পাইছে। তেওঁৰ দুষ্টামিত যশোদা কেতিয়াবা বিৰক্ত হয় যদিও পুত্ৰৰ প্ৰতি থকা অপাৰ মৰমৰ বাবে তেওঁ কৃষ্ণক কঠোৰভাৱে শাস্তি দিব নোৱাৰে। মাতৃ আৰু পুত্ৰৰ এই সম্পৰ্কই সমগ্ৰ ঘটনাটোক অতি মধুৰ কৰি তুলিছে। কৃষ্ণৰ দুষ্টামিৰ অন্যতম প্ৰধান ৰূপ হৈছে মাখন চুৰি কৰা। কৃষ্ণই গোপীসকলৰ ঘৰত গৈ মাখন খায় আৰু বিভিন্ন ধৰণৰ ক্ৰীড়া কৰে। গোপীসকলে তেওঁৰ এই দুষ্টামিৰ কথা যশোদাৰ ওচৰত অভিযোগ কৰে। কিন্তু কৃষ্ণৰ মনোমোহা ৰূপ আৰু শিশুসুলভ আচৰণ দেখি তেওঁলোকৰ খং বেছি সময় স্থায়ী নহয়। বৰং কৃষ্ণৰ লীলাই তেওঁলোকক আনন্দ দিয়ে। এই ঘটনাবোৰৰ মাজেৰে শংকৰদেৱে কৃষ্ণৰ প্ৰতি ব্ৰজবাসীৰ গভীৰ আকৰ্ষণ আৰু স্নেহ প্ৰকাশ কৰিছে। কৃষ্ণৰ দুষ্টামিও যেন তেওঁলোকৰ বাবে এক আনন্দৰ উৎস।

শিশু কৃষ্ণৰ অতিমাত্ৰা দুষ্টামিৰ বাবে যশোদাই তেওঁক শাস্তি দিবলৈ হাতত এদাল এচাৰি লৈ কৃষ্ণক ধৰিবলৈ চেষ্টা কৰে। কিন্তু চতুৰ কৃষ্ণই মাকৰ হাতৰ পৰা সাৰি যাবলৈ চেষ্টা কৰে। অৱশেষত কৃষ্ণই মাক যশোদাৰ শাৰিৰীক কষ্টৰ কথা অনুভৱ কৰি ধৰা দিয়ে। যশোদাই কৃষ্ণক ধৰি বান্ধিবলৈ উদ্যত হয়। যশোদাই কৃষ্ণক বান্ধিবলৈ বহুবাৰ চেষ্টা কৰিও বিফল হয়। কাৰণ প্ৰতি বাৰতে বান্ধিবলৈ লোৱা জৰিডাল মাত্ৰ দই আঙুলি চুটি হৈ পৰে। অৱশ্যে শেষত কৃষ্ণই মাকৰ অৱস্থা বুজি নিজেই বান্ধি লয়। এই ঘটনাতো কৃষ্ণৰ শিশুসুলভ ভয়, চঞ্চলতা আৰু যশোদাৰ মাতৃসুলভ শাসনৰ সুন্দৰ প্ৰকাশ ঘটিছে। কিন্তু ইয়াৰ মাজতো কৃষ্ণৰ ঐশ্বৰিক পৰিচয় প্ৰকাশ পাইছে। যি কৃষ্ণক সাধাৰণ শিশুৰ দৰে যশোদাই শাসন কৰিছে, সেই কৃষ্ণই প্ৰকৃততে জগতৰ অধীশ্বৰ, পৰম ঈশ্বৰ। সেয়ে পাঠ্যাংশৰ শেষাংশত কৃষ্ণক কেৱল যশোদাৰ পুত্ৰ হিচাপে নহয়, জগতৰ ঈশ্বৰ আৰু ভক্তৰ বশ হোৱা পৰমেশ্বৰ হিচাপে দেখুওৱা হৈছে। ব্ৰহ্মা, লক্ষ্মী, মহাদেৱ আদি দেৱতাসকলেও যি পৰম ঈশ্বৰৰ আৰাধনা কৰে, সেই ঈশ্বৰেই যশোদাৰ ঘৰত এটি সাধাৰণ শিশুৰ ৰূপত লীলা কৰিছে। যশোদাৰ মাতৃস্নেহে তেওঁক যেন ভক্তৰ বশ কৰি পেলাইছে।

পাঠ্যাংশটোৰ অন্যতম প্ৰধান বৈশিষ্ট্য হৈছে বাত্সল্য ৰস। যশোদাৰ পুত্ৰপ্ৰেম, কৃষ্ণৰ শিশুসুলভ আবদাৰ, দুষ্টামি আৰু মাকৰ শাসনৰ মাজেৰে মাতৃ-পুত্ৰৰ এক গভীৰ সম্পৰ্ক প্ৰকাশ পাইছে। একে সময়তে কৃষ্ণৰ প্ৰতি থকা ভক্তি আৰু ঈশ্বৰৰ মহিমা প্ৰকাশ পোৱাৰ বাবে পাঠ্যাংশটোত অধিক মনোগ্ৰাহী হৈ উঠিছে।

সামৰণিত ক'ব কাৰি যে, “হে কৰুণাময়! ৰাম কৃষ্ণ প্ৰভু ৰঘুপতি” পাঠ্যাংশটোত শংকৰদেৱে শিশু কৃষ্ণৰ চঞ্চলতা, দুষ্টামি, মাখনপ্ৰীতি, মাতৃ যশোদাৰ স্নেহ আৰু কৃষ্ণৰ ঐশ্বৰিক মহিমা একেলগে প্ৰকাশ কৰিছে। সাধাৰণ শিশুৰ ৰূপত থকা কৃষ্ণৰ মাজতে যে পৰম ঈশ্বৰ লুকাই আছে—এই ভাবটোৱেই পাঠ্যাংশটোৰ মূল তাৎপৰ্য। সৰল আৰু চিত্ৰময় ভাষাৰে শংকৰদেৱে যশোদা-কৃষ্ণৰ স্নেহময় সম্পৰ্কক এনেদৰে উপস্থাপন কৰিছে যে পাঠকে কৃষ্ণৰ শৈশৱলীলাৰ দৃশ্য নিজৰ চকুৰ আগত দেখা যেন অনুভৱ কৰে।